

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত



একাদশ বছৰ ■ সংখ্যা ৩৪৫ ■ গুৱাহাটী ■ শনিবাৰ, ২৪ জুলাই, ২০২১, ৭ শাওণ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২+২=১৪

VOL. 11 ISSUE NO. 345 Dainandin Barta ■ Guwahati, Saturday ■ 24 July 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12+2=14 ■ Rs. 7.00 Only


## পাঁচ বছৰৰ মূৰত নিজ গৃহত উপস্থিত তামুলপুৰৰ মাৰ্কুচ মাৰ্ডি



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৩ জুলাই ঃ** আজিৰ পৰা পাঁচ বছৰৰ পূৰ্বে তামুলপুৰ মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ হৰতোলা গাঁৱৰ পৰা নিৰুদ্দেশ হৈছিল এজন সুঠাম যুৱক মাৰ্কুচ মাৰ্ডি। হৰতোলা গাঁৱৰ প্ৰয়াত পট্ৰাচ মাৰ্ডি আৰু কেৰ'লিনা মুৰ্মুৰ পুত্ৰ মাৰ্কুচৰ সেই সময়ত বয়স হৈছিল বিশ বছৰ। এদিন ঘৰত কোনেও নথকাত ঘৰৰ পৰা ওলাই গৈছিল মাৰ্কুচ। কিছু মানসিকভাৱে বিকাৰগ্ৰস্ত যুৱকজনে ভাৰতৰ বিভিন্ন ঠাইত ঘূৰি ফুৰাৰ পিছত বিগত জুন মাহত ৰাজস্থানৰ যোধপুৰৰ পদপথত মাৰ্কুচক উদ্ধাৰ কৰিছিল দিল্লীৰ শ্ৰদ্ধা নামৰ এটা বেচৰকাৰী সংস্থাৰ একাংশ কৰ্মকৰ্তাই। তাৰ পিছত দিল্লীলৈ নি বহুদিন যুৱকজনৰ মানসিক ৰোগৰ চিকিৎসা কৰাৰ পিছত তেওঁলোকৰ ফালৰ পৰা পৰিয়ালৰ স'তে যোগাযোগ কৰি ২২ জুলাই তাৰিখে নিউ বঙাইগাঁও ৰে'লৱে জংচন পৰ্যন্ত আনি পৰিয়ালৰ লোকক গতাই দিয়ে। যুৱকজনক ঘূৰাই পোৱাৰ পিছত দিল্লীৰ সেই শ্ৰদ্ধা ৰিহেবিলিটেচন ফাউণ্ডেচনৰ ওচৰত আজি কৃতজ্ঞতা প্ৰকাশ কৰাই নহয়, হিয়া উজাৰি অনুষ্ঠানটোৰ সফলতা আৰু দীৰ্ঘায়ু কামনা কৰে পৰিয়ালৰ অন্যসকলৰ লগতে মাৰ্কুচৰ মাতৃয়ে।